জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৯৮/২০২০

২০২০-২১ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলিৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন খণ্ডই এক নতুন গতি লাভ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাজিৰঙাৰ মিহিমুখত আয়োজিত এক অনুষ্ঠানৰ জৰিয়তে ২০২০-২১ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকসকলৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখ্য যে আজিৰে পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা আৰু বাগৰি ৰেঞ্জত জীপ ছাফাৰী আৰম্ভ হ'ব আৰু ৰাষ্ট্ৰীয় উদ্যানখনৰ বাকী দুটা ৰেঞ্জ নৱেম্বৰৰ পৰা পৰ্যটকসকলৰ বাবে মুকলি হ'ব। নৱেম্বৰৰ পৰা হাতি ছাফাৰীও আৰম্ভ হ'ব।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশী আৰু বিদেশী পৰ্যটকৰ বাবে মুকলি কৰি সাংবাদিকসকলক উদ্দেশ্যি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ সৃষ্ট লক্‌ডাউনৰ পিছত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে মুকলিৰ জৰিয়তে ৰাজ্যখনৰ পৰ্যটন খণ্ডই বিশেষ গতি লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জীপ ছাফাৰী তথা অন্যান্য পৰ্যটনৰ কাম-কাজৰ জৰিয়তে কাজিৰঙা তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ যুৱ চামে অৰ্থৰহ নিয়োজনৰ সুবিধা পুনৰ লাভ কৰিব বুলিও কয়।

ক'ভিড-১৯ অতিমাৰীয়ে সৃষ্টি কৰা অৰ্থনৈতিক স্থবিৰতা হ্ৰাস কৰাৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীপ ছাফাৰীৰ সৈতে জড়িত থকা লোকক ৰাজ্য চৰকাৰে এককালীন আৰ্থিক সাহায্য প্ৰদানৰ কথা উল্লেখ কৰি ৰাজ্যখনৰ পৰ্যটন খণ্ডৰ সৈতে জড়িত লোকসকলক সকাহ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে ভৱিষ্যতেও আৰু অধিক এনেধৰণৰ পদক্ষেপ লৈ যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনে সামৰি লোৱা ৫ খন জিলা তথা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ আশে-পাশে থকা স্থানীয় জনসাধাৰণক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শনৰ বাবে অহা পৰ্যটকসকলক উৎকৃষ্ট আতিথ্য সেৱা প্ৰদানৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায় যাতে বাহিৰৰ পৰ্যটকসকলে অসমৰ এক উজ্জ্বল প্ৰতিচ্ছবি বিশ্বৰ বুকুত দাঙি ধৰিবলৈ সক্ষম হয়। বিগত চাৰে চাৰি বছৰত ৰাজ্য চৰকাৰে গঁড়ৰ চোৰাং চিকাৰ ৰোধ কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কাজিৰঙা আৰু ইয়াৰ দাঁতিকাষৰীয়া জনসাধাৰণে এই দিশত আগবঢ়োৱা সহায়-সহযোগিতাৰো শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা অন্যান্য পৰ্যটন থলীসমূহ পৰিদৰ্শন কৰাৰ সময়ত ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে স্বাস্থ্য বিভাগে ধাৰ্য কৰা প্ৰট'ক'লসমূহ সঠিকভাৱে মানি চলাৰ বাবেও আহ্বান জনায়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

সমাগত উৎসৱৰ বতৰত ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দেশবাসীলৈ জনোৱা আহ্বানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে পৰ্যটন খণ্ডৰ লগত জড়িত সংশ্লিষ্ট সকলোকে স্বাস্থ্য বিভাগে ধাৰ্য কৰা ক'ভিড-১৯ প্ৰট'ক'লসমূহ কঠোৰভাৱে মানি চলাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমকো ২০২০-২১ ৰ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ বাতৰি বহুল প্ৰচাৰৰ পদক্ষেপ ল'বলৈও আহ্বান জনায় যাতে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ পৰ্যটকসকলে কাজিৰঙাৰ নৈসৰ্গিক শোভা উপভোগৰ বাবে আগবাঢ়ি আহে আৰু লগতে অসমৰ পৰ্যটন উদ্যোগলৈও অৰ্থৰহ অৰিহণা আগবঢ়াব পাৰে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলিৰ পিছতে মুখ্যমন্ত্ৰীয়ে জীপ ছাফাৰীৰে ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়ত কৃষিমন্ত্ৰী তথা বোকাখাত সমষ্টিৰ বিধায়ক অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক ঋতুপৰ্ণ বৰুৱা, প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) এ এম সিঙৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ / পুঃডেঃ**
**২১/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in